# আমাৰ ভূমিকা

অসমৰ মনোৰম জৈৱ-বৈচিত্ৰৰ অন্যতম আধাৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পৰ সংৰক্ষণ তথা বহনক্ষম পৰিচালনাৰ বাবে উদ্যানৰ দাঁতি-কাষৰীয়া হিচাপে **আমাৰ ভূমিকা** কি হ'ব -

- ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পক স্থানীয় মানুহ হিচাপে নিজৰ গৌৰৱ বুলি বিবেচনা কৰা ।
- উদ্যানৰ মাটিৰ বেদখল ৰোধ কৰা ।
- নিজৰ জীৱিকাৰ বাবে বা আন কোনো কাৰণতে উদ্যানৰ অন্তৰ্গত এলেকাৰ পৰা কোনো সম্পদ অথবা সামগ্ৰী ব্যৱহাৰৰ পৰা বিৰত থকা ।
- বানপানীৰ সময়ত বা অন্য সময়ত বন্য জীৱ-জন্তু ঘৰৰ চৌহদলৈ আহিলে হিংসাত্মক উপায় অৱলম্বন কৰিব নালাগে ; ততালিকে স্থানীয় বন বিষয়াক খবৰ দিয়া উচিত ।
- উদ্যানৰ জৈৱ বৈচিত্ৰ সম্পৰ্কে সজাগ আৰু সচেতন হ'ব লাগে যাতে উদ্যানৰ হানি কৰিব পৰা যিকোনো ব্যক্তি বা কাৰ্যক প্ৰতিহত কৰিব লৈ আমি অতন্ত্ৰ প্ৰহৰী হ'ব পাৰো ।
- উদ্যানখনৰ সংৰক্ষণ আৰু উন্নয়ণৰ বাবে কাম কৰি থকা অসম চৰকাৰৰ বন বিভাগ আৰু অন্যান্য চৰকাৰী-বেচৰকাৰী সংগঠনক সহায়- সহযোগ কৰা ।
- আমাৰ পৰিয়ালৰ সদস্য, ওচৰ-চুবুৰীয়া, লগ-বন্ধুক ৰাষ্ট্ৰীয় উদ্যান খনৰ গুৰুত্ব আৰু প্ৰাকৃতিক ভাবে ইয়াৰ প্ৰয়োজনীয়তাৰ কথা বুজাই সজাগ কৰিব লাগে ।
- নিজৰ এলেকাৰ খাল, বিল, নৈ, জান-জুৰি আদিও বিনষ্ট কৰিব নালাগে ।
- খেতিত ৰাসায়নিক সাৰ আৰু কীটনাশকৰ ব্যৱহাৰ পাৰ্যমানে কমাব লাগে ।
- বন্য প্ৰাণীৰ অংগ-প্ৰত্যংগৰে বনোৱা সামগ্ৰী ব্যৱহাৰ বন্ধ কৰা ।
- জেষ্ঠ সকলে জনা বনাঞ্চল সম্পৰ্কীয় পৰম্পৰাগত জ্ঞান কণিষ্ঠ সকলক শিকাব লাগে আৰু সময় সুবিধা বুজি বন বিষয়া আদিৰ লগত এই বিষয়ে আলোচনা কৰিব লাগে । এনেকুৱা জ্ঞানে আমাক প্ৰকৃতিৰ আৰু অধিক ওচৰত সুকলমে জীয়াই থকাত সহায় কৰিব লগতে বনাঞ্চল খনৰ সংৰক্ষণতো সহায় কৰিব।
- এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিকৰ সামগ্ৰীৰ ব্যৱহাৰ কম কৰা ।
- আৱৰ্জনা নিষ্কাষণৰ সঠিক ব্যৱস্থা কৰা, আৱৰ্জনা য'তে ত'তে পেলোৱাৰ পৰা বিৰত থকা ।


'দা ৰাফৰ্ড ফাউণ্ডেচন'ৰ সহযোগত 'আৰণ্যক' দ্বাৰা প্ৰকাশিত
(Published by **Aaranyak** with support from **The Rufford foundation)**
বিষয়বস্তু আৰু পৰিকল্পনা : প্ৰণৱ গোস্বামী, আৰণ্যক

# ওৰাং
## আৰু
# আমি



# ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পৰ বিষয়ে জানো আহক

## বুৰঞ্জী



বুৰঞ্জীৰ পাত লুটিয়াই চালে পোৱা যায় যে প্ৰায় ১৯০০ চনলৈকে ওৰাঙৰ এই এলেকাটো স্থানীয় জনজাতীয় লোকৰ বাসস্থান আছিল। ভিন্ন সময়ত ইয়াত ভূঞাঁ আৰু চুতীয়া সম্প্ৰদায়ৰ লোকসকলৰো বসবাসৰ তথ্য পোৱা যায়। অৰণ্যৰ ভিতৰত পোৱা ধৰ্মীয়স্থলীৰ ভগ্নাৱশেষ, মানুহে খন্দা পুখুৰী আদিয়ে এসময়ত ইয়াত মানুহৰ বসতিৰ স্পষ্ট প্ৰমাণ দাঙি ধৰে। পিছত ইয়াত হোৱা মহামাৰী ৰোগৰ কবলত পৰি স্থানীয় জনজাতীয় লোক সকলে এই ঠাই পৰিত্যাগ কৰিলে বুলি লোকপ্ৰবাদ আছে। ঔপনিৱেশিক কালত ওৰাঙৰ জৈৱ বৈচিত্ৰই ব্ৰিটিছৰ ওচৰতো বিশেষ সমাদৰ পাইছিল।

## স্বীকৃতি




- ১৯১৫ চনত ব্ৰিটিছ সকলে এলেকাটোক ওৰাং গেম সংৰক্ষিত এলেকা (Game Reserve) হিচাপে ঘোষণা কৰে।
- ১৯৯৮ চনৰ ১৭ মাৰ্চ তাৰিখে ইয়াক অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়া হয়।
- ১৯৯৯ চনৰ ৮ এপ্ৰিল তাৰিখে ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হয়।
- ২০১৬ চনত ইয়াক ব্যাঘ্ৰ প্ৰকল্পৰ মৰ্যদা দিয়া হয়।

## এলেকা

শেহতীয়া তথ্য অনুসৰি, ৰাষ্ট্ৰীয় উদ্যান খনৰ বৰ্তমানৰ মাটি-কালি ২৭৯.৬০ বৰ্গ কিলোমিটাৰ। পূৰ্বৰ ৭৮.৮২ বৰ্গ কিলোমিটাৰ ৰ লগত ২০২২ চনত প্ৰথম সংস্কৰণ হিচাপে ০.৪৭ বৰ্গ কিলোমিটাৰ আৰু একেটা বছৰতে দ্বিতীয় সংস্কৰণ হিচাপে ২০০.৩২ বৰ্গ কিলোমিটাৰ সংলগ্ন হয়।

## জৈৱ বৈচিত্ৰ

ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰে অসমৰ দৰং আৰু শোণিতপুৰ জিলাত অৱস্থিত ক্ৰান্তীয় সেমেকা জলবায়ুৰ অন্তৰ্গত এই ৰাষ্ট্ৰীয় উদ্যানখন জৈৱ-বৈচিত্ৰৰ ক্ষেত্ৰত খুবেই চহকী। নল, ইকৰা, বিৰিণা, খাগৰি, কঁহুৱা, দূৱৰি, উলুখেৰ আদি ভিন্ন প্ৰজাতিৰ ঘাহঁনিয়ে প্ৰায় ৪০.৮২ বৰ্গ কি.মি ঠাই আগুৰি থকাৰ লগতে শাল, চেগুণ, ডিমৰু, কাঞ্চন, শিমলু, ঔটেঙা, জামু, এজাৰ, আমলখি আদিৰে ইয়াৰ ২৩.২১ বৰ্গ কি.মি কাঠনি। ইয়াত থকা ৩৬ টা আৰ্দ্ৰভূমি আৰু ১৩ টা পুখুৰীয়ে ইয়াৰ জৈৱ বৈচিত্ৰৰ সৌষ্ঠৱ আৰু গুৰুত্ব বঢ়াইছে। এশিঙীয়া গড় আৰু ঢেঁকীয়াপতীয়া বাঘৰ বাবে বিশেষভাবে সংৰক্ষিত এই উদ্যানত অন্য বহুতো জীৱ-জন্তুৰ লগতে নল গাহৰি, উলুম'ৰা, মেচেকা, এছীয় হাতী আদি আপুৰুগীয়া জীৱ-জন্তুও পোৱা যায়। বিভিন্ন স্থানীয় আৰু পৰিভ্ৰমী চৰাইবোৰো উদ্যানখনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু।

সংগৃহীত তথ্য অনুসৰি ইয়াত পোৱা বিভিন্ন প্ৰাণী সমূহ –

- ২৪ বিধ স্তন্যপায়ী প্ৰাণী
- ৩০০ টা প্ৰজাতিৰ চৰাই,
- ৩৭ টা প্ৰজাতিৰ সৰীসৃপ,
- ৩২ বিধ মাছৰ প্ৰজাতি,
- ২৮ বিধ প্ৰজাতিৰ পখিলা
- ১৯ টা প্ৰজাতিৰ উভচৰ প্ৰাণী

## চাৰিসীমা

**শেহতীয়া দ্বিতীয় সংস্কৰণত হোৱা সংলগ্ন এলেকাৰ পিছত ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প ৰ চাৰিসীমা -**

**পূৱ দিশত :** পূৱ দিশত শোণিতপুৰ জিলাৰ শিঙৰিৰ গুপ্তেশ্বৰ মন্দিৰ আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ পশ্চিমৰ সীমা চুইছে।
**পশ্চিম দিশত:** পশ্চিম দিশত দৰং জিলাৰ শ্যামপুৰ আৰক্ষী চকী আৰু মৰিগাওঁ জিলাৰ সীমালৈ বিস্তৃত হৈ আছে।
**উত্তৰ দিশত :** উত্তৰ দিশত দৰং জিলাৰ অন্তৰ্গত গাওঁ অঞ্চল।
**দক্ষিণ দিশত :** এই দিশত মৰিগাওঁ আৰু নগাওঁ জিলাৰ সীমালৈ বিস্তৃত হৈ আছে।